**প্ৰতি,** ৩০-১০-২০১৮

মাননীয় সমন্বয়ক

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ

**বিষয় ঃ বিশ্ববিদ্যালয়ে আয়োজন কৰিব খোজা সংগীত প্ৰতিযোগিতা সম্পৰ্কে**

শ্ৰদ্ধেয় মহাশয়/মহাশয়া,

আন্তৰিক শ্ৰদ্ধা গ্ৰহণ কৰিব। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত অধ্যয়ন কেন্দ্ৰসমূহৰ ঐকান্তিক সহযোগিতা আৰু সদ্ভাৱৰ বাবেই আজিৰ এই অৱস্থাত উপনীত হৈছে। বিশ্ববিদ্যালয়ে ইয়াত অধ্যয়নৰত শিক্ষাৰ্থীসকলক একগোট কৰি সমূহ শিক্ষাৰ্থীৰ মাজত সমন্বয় আৰু সহযোগিতাৰ ভাব বৃদ্ধি কৰিবলৈকে যোৱা তিনিবছৰে এখনি বাৰ্ষিক সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এই বছৰো **১১ ডিচেম্বৰৰ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি** বাৰ্ষিক সংগীত প্ৰতিযোগিতাখনি **ডিচেম্বৰ মাহৰ ২ তাৰিখে গুৱাহাটীত** আয়োজন কৰিবলৈ মনস্থ কৰা হৈছে। গুৱাহাটীৰ আৰ জি বৰুৱা পথত অৱস্থিত **গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ ড° ভগৱান লহকৰ প্ৰেক্ষাগৃহত** অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে এই বছৰ নিৰ্বাচন কৰা বিষয় হৈছে **'লোকগীত'**।

এই পত্ৰৰ লগত প্ৰতিযোগিতাৰ সম্পূৰ্ণ নিয়মাৱলীৰ লগতে যোগদানৰ প্ৰ-পত্ৰ সংলগ্ন কৰি দিয়া হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে **নৱেম্বৰ মাহৰ ২৫** তাৰিখৰ ভিতৰত নিৰ্দিষ্ট প্ৰ-পত্ৰসমূহ পূৰণ কৰি অধ্যয়ন কেন্দ্ৰৰ দ্বাৰা প্ৰত্যায়িত কৰি তলত উল্লেখ কৰা ঠিকনালৈ প্ৰেৰণ কৰিব লাগিব। প্ৰত্যায়িত প্ৰতিলিপি স্কেন কৰিও ইমেইল কৰিব পাৰিব। এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আপোনালোকৰ অধ্যয়ন কেন্দ্ৰৰ পৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক প্ৰতিযোগীক প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালোঁ।

পুনৰ আপোনাৰ সক্ৰিয় সহযোগিতাৰ আশাৰে, ধন্যবাদ সহকাৰে —

ইতি,

আপোনাৰ প্ৰীতিভাজনেষু

(মৃণাল জ্যোতি গোস্বামী)

আহ্বায়ক, অনুষ্ঠান ব্যৱস্থাপনা সমিতি


*<u>যোগাযোগৰ ঠিকনা</u>*

ড° মৃণাল জ্যোতি গোস্বামী

সহকাৰী অধ্যাপক, অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

হাউচফেড কমপ্লেক্স, লাষ্ট গেট, দিশপুৰ

গুৱাহাটী — ৭৮১ ০০৬, অসম

ভ্ৰাম্যভাষ ঃ ০৯৪৩৫০-১৬৮৪০ (কাৰ্যালয় খোলা দিনত দিনৰ ১০.৩০-৪.৩০ ৰ ভিতৰত)

email: mrinaljyoti@gmail.com

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

# Krishna Kanta Handiqui State Open University

Guwahati - 781 017

---

## লোকগীত — প্ৰতিযোগিতাৰ প্ৰ-পত্ৰ

- প্ৰতিযোগীৰ নাম ঃ ..............................................................................
- অধ্যয়ন কেন্দ্ৰৰ নাম ঃ ..............................................................................
- যোগাযোগৰ সম্পূৰ্ণ ঠিকনা ঃ ..............................................................................

  ..............................................................................

  পো. অ ঃ ..............................................................

  জিলা ঃ ..............................................................

  ডাক সূচাংক ঃ ....................................................
- ভ্ৰাম্যভাষ/ফোন নম্বৰ ঃ ..............................................................................
- অধ্যয়ন কৰি আছে ঃ স্নাতক/স্নাতকোত্তৰ/ডিপ্ল'মা/...........................
- বৰ্ষ/ষাণ্মাসিক ঃ ..............................................................................
- নামভৰ্ত্তিৰ পঞ্জীয়ন নম্বৰ ঃ ..............................................................................
- গাব বিচৰা গানটোৰ শিৰোনাম ঃ ..............................................................................
- গাব বিচৰা গানটোৰ স্কেল ঃ ..............................................................................
- বাদ্যযন্ত্ৰী নিজে লৈ আনিব/নানে ঃ ..............................................................................

মই শ্ৰী..................................................................................-এ ইয়াৰ দ্বাৰা ঘোষণা কৰোঁ যে, উল্লিখিত সকলোখিনি তথ্য সঁচা আৰু শুদ্ধ। মই লগতে ইয়াৰ দ্বাৰা বিশ্ববিদ্যালয়ে আয়োজন কৰা লোকগীত প্ৰতিযোগিতাৰ সকলোখিনি নিয়মাৱলী মানি চলি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিম বুলি সন্মতি প্ৰদান কৰিলোঁ।

অংশগ্ৰহণকাৰীৰ স্বাক্ষৰ

প্ৰত্যায়িত কৰা হ'ল —

(অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কৰ
স্বাক্ষৰ আৰু মোহৰ)

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
# Krishna Kanta Handiqui State Open University
Guwahati - 781 017

## লোকগীত — প্ৰতিযোগিতাৰ নিয়মাৱলী

- এই প্ৰতিযোগিতাত কেৱল বিশ্ববিদ্যালয়ৰ যিকোনো পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীয়েহে অংশগ্ৰহণ কৰিব পাৰিব।
- এটা অধ্যয়ন কেন্দ্ৰৰ পৰা সৰ্বাধিক **২ জন** প্ৰতিযোগীয়েহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।
- অংশগ্ৰহণকাৰীসকলৰ মাজৰ পৰা বিচাৰকসকলে প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰতিযোগীৰ লগতে দুজনক উদগনিমূলক বঁটা প্ৰদান কৰিব।
- প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ এনেধৰণৰ —

  *প্ৰথম পুৰস্কাৰ ঃ* এখন অভিধান, এখন মানপত্ৰ আৰু নগদ ২৫,০০০/- টকা।

  *দ্বিতীয় পুৰস্কাৰ ঃ* এখন অভিধান, এখন মানপত্ৰ আৰু নগদ ১৫,০০০/— টকা।

  *তৃতীয় পুৰস্কাৰ ঃ* এখন অভিধান, এখন মানপত্ৰ আৰু নগদ ১০,০০০/— টকা।

  *দুটা উদগনিমূলক পুৰস্কাৰ ঃ* এখন মানপত্ৰ আৰু নগদ ৫,০০০/— টকা।
- প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলক অহা-যোৱা আৰু থকা-খোৱাৰ বাবদ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা কোনো ধৰণৰ মাননি প্ৰদান কৰা নহ'ব। অৱশ্যে প্ৰতিযোগিতাৰ দিনা ৰাতিপুৱা আৰু আবেলিৰ চাহ তথা দুপৰীয়া আহাৰৰ ব্যৱস্থা কৰা হ'ব।
- প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰাসকলে নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে প্ৰত্যায়িত কৰি **নৱেম্বৰ মাহৰ ২৫ তাৰিখৰ** ভিতৰত বিশ্ববিদ্যালয় পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। নৱেম্বৰ মাহৰ ২৫ তাৰিখৰ পিছত আহি পোৱা কোনো প্ৰ-পত্ৰ প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা নহ'ব। **প্ৰ-পত্ৰৰ লগতে বিশ্ববিদ্যালয়ৰ নামভৰ্ত্তিৰ পঞ্জীয়ন পত্ৰ** (Registration Card)**খনৰ প্ৰতিলিপিও অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কৰ দ্বাৰা প্ৰত্যায়িত কৰি সংলগ্ন কৰি পঠিয়াব লাগিব। অন্যথা তেখেতক প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা নহ'ব।**
- বিশ্ববিদ্যালয়ৰ ৱেব চাইট www.kkhsou.in-ত **৩০ নৱেম্বৰ** তাৰিখে প্ৰতিযোগিতাৰ বাবে বিবেচিত প্ৰতিযোগীসকলৰ নাম ঘোষণা কৰা হ'ব। নিৰ্বাচিত প্ৰতিযোগীসকলে তেওঁলোকৰ লগত কেৱল মাত্ৰ এগৰাকী অভিভাৱক আনিব পাৰিব। অৱশ্যে, যিসকল প্ৰতিযোগীয়ে নিজাকৈ বাদ্যযন্ত্ৰী লৈ আনিব খোজে, তেখেতসকলে সৰ্বাধিক চাৰিগৰাকী (অভিভাৱক সহিতে) ব্যক্তি সহযোগী হিচাপে আনিব পাৰিব।
- প্ৰতিযোগিতা **ডিচেম্বৰ মাহৰ প্ৰথমটো দেওবাৰ, ২ তাৰিখে** আৰ জি বৰুৱা পথত অৱস্থিত **গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ ড° ভগৱান লহকৰ প্ৰেক্ষাগৃহত** অনুষ্ঠিত হ'ব। প্ৰতিযোগীসকল পুৱা ৯.৩০-১০.০০ বজাৰ ভিতৰত নিৰ্ধাৰিত স্থানত উপস্থিত হ'ব লাগিব আৰু প্ৰ-পত্ৰৰ লগত পঠিওৱা **নামভৰ্ত্তিৰ পঞ্জীয়ন পত্ৰখনৰ** শুদ্ধাশুদ্ধ বিচাৰ (verification) কৰোৱাই ল'ব লাগিব।
- প্ৰতিযোগিতা দিনৰ ১০.৩০ বজাৰ পৰা আৰম্ভ হ'ব আৰু সেইদিনাই বিয়লি ভাগত বিজয়ীসকলৰ নাম ঘোষণা কৰি পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব।
- প্ৰতিযোগিতাত প্ৰতিটো গান গাবৰ বাবে সৰ্ব্বোচ্চ ৫ মিনিট সময় প্ৰদান কৰা হ'ব।
- প্ৰতিযোগিতাত এটা গান নিজাবাবীয়াকৈ নিৰ্বাচন কৰি পৰিৱেশন কৰাৰ লগতে তলত উল্লেখ কৰা গান কেইটাৰ ভিতৰত লটাৰী যোগে নিৰ্বাচন কৰি এটা গান পৰিৱেশন কৰিব লাগিব। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে প্ৰতিযোগীসকলে নিজাববীয়াকৈ নিৰ্বাচন কৰা গানটো তলত উল্লেখ কৰা গান কেইটাৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰিব—

  ক) ঘন বৰষুণ পিচল মাটি

  খ) অ' পখী বৌয়া যা ৰে

  গ) ভৰ দুপৰ বেলা কোনে বজায় বাঁহী

  ঘ) ভাল কৰিয়া বজাও গো দোতাৰা, সুন্দৰী কমলা নাচে

  ঙ) হাস্তীৰ কন্যা, হস্তীৰ কন্যা বামুনেৰ নাৰী
- প্ৰতিযোগিতাত গান গাওঁতে সংগত কৰিবলৈ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা চাৰি গৰাকী বাদ্যযন্ত্ৰী (দোতাৰা, ডগৰ, বাঁহী, ঢোলক) থাকিব। অৱশ্যে প্ৰতিযোগীয়ে নিজাববীয়াকৈও বাদ্যযন্ত্ৰী লৈ আহিব পাৰিব। সৰ্ব্বোচ্চ চাৰি গৰাকী বাদ্যযন্ত্ৰীয়েহে গান গাওঁতে সংগত কৰিব পাৰিব।
- প্ৰতিযোগিতাত কোনো ধৰণৰ ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব।
- পৰম্পৰাগত লোকগীতসমূহহে প্ৰতিযোগিতাৰ বাবে বিবেচিত হ'ব, সম্প্ৰতিক সময়ত লোকগীতৰ আৰ্হিত গোৱা গীতসমূহ ইয়াত অন্তৰ্ভুক্ত কৰা নাযাব।
- বিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি বিবেচিত হ'ব।